**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে। নতুন সংসদ ভৱনত ক্ষন্তেক সময়ৰ পূৰ্বে জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোটদান কৰে। লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলেও ভোটদান কৰিছে। সন্ধিয়া ৬ বজাৰ পৰা ভোটগণনা কৰা হ'ব। এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০০০০

অসম আৰক্ষীয়ে কালি এটা নিৰ্দেশনাৰ জৰিয়তে ২৩৯ গৰাকী উপ-পৰিদৰ্শকক বিভিন্ন স্থানলৈ বদলি কৰিছে। ইয়াৰে ১৮ গৰাকী উপ-পৰিদৰ্শক গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ। উল্লেখযোগ্য যে অসম আৰক্ষীয়ে বিভিন্ন সময়ত তেওঁলোকৰ অধীনৰ কৰ্মচাৰীসকলক ৰদ-বদলি কৰি আহিছে।

০০০০০০০

অৰুণাচলৰ লংডিং জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত এন এছ চি এন-আই এমৰ এজন সদস্যই আত্ম-সমৰ্পণ কৰে। মাৰণাস্ত্ৰসহ আত্মসমৰ্পণ কৰা লোকজনৰ নাম ফুলেশ্বৰ গগৈ ওৰফে নং এছ টাংছাৰ। লোকজন তিনিচুকীয়া জিলাৰ পেঙেৰীৰ মাইছাংপানীৰ বাসিন্দা।

০০০০০০০

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলাখনৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সহযোগত কালি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হয়। পুৱা সুধাকণ্ঠৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনকে ধৰি নিশালৈকে বিভিন্ন অনুষ্ঠানৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। জিলাখনৰ কণ কণ শিশু আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় শিল্পীয়ে সুধাকণ্ঠৰ গীত পৰিৱেশন কৰে। এই অনুষ্ঠানত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি কেইবাগৰাকী অতিৰিক্ত জিলা আয়ুক্তসহ প্ৰশাসনৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীয়ে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীতটি মঞ্চত পৰিৱেশন কৰে।

০০০০০০০

মানকাচৰৰ বিভিন্ন প্ৰান্তত বিশ্বকৰ্মা পূজা আৰু দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। বিশ্বকৰ্মা পূজাৰ বাবে ইতিমধ্যে জিলাখনৰ মৃণ্ময় শিল্পীসকলে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ সুনীল পাল নামৰ ৮০ বছৰীয়া এগৰাকী শিল্পীয়ে এইবেলি ৫০ টা বিশ্বকৰ্মা পূজাৰ প্ৰতিমা নিৰ্মাণ কৰিছে। তেওঁ লগতে ৯ টা দেৱী দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ কৰিছে। তেওঁৰ এই প্ৰতিমাসমূহ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ লগতে মানকাচৰৰ কেইবাটাও স্থানলৈ প্ৰেৰণ কৰা হ'ব।

০০০০০০০

লখিমপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ জিলা সৈনিক কল্যাণ বিভাগত কালি ৰাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকৰণ বীৰ পৰিবাৰ সহায়ক যোজনা, ২০২৫-ৰ অধীনত আইনী সেৱা কেন্দ্ৰ মুকলি কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ তথা জিলা ছেচন ন্যায়াধীশ  পলি কটকীয়ে এই কেন্দ্ৰটো মুকলি কৰি ইয়াৰ ফলত প্ৰাক্তন সেনা তথা দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকলৰ পৰিয়ালবৰ্গক বিনামূলীয়া আইনী সেৱা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী জিলাৰ প্ৰতিষ্ঠা দিৱস কালি উদযাপন কৰা হয়। ২০১৬ চনৰ কালিৰ দিনটোতে মাজুলীক  জিলা হিচাপে স্বীকৃতি দিয়া হৈছিল। জিলা দিৱস উপলক্ষে গড়মূৰ খোনাচুকৰ মাধৱদেৱ কৃষ্টি সংঘত কেন্দ্ৰীয়ভাৱে বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা দিৱস উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ উদ্যোগত আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰীৰ সহযোগত যোৱানিশা এখন ভাওনা প্ৰদৰ্শন কৰা হয়।

০০০০০০

তিনিচুকীয়া সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিচাপে পৰিদৰ্শক পুৰঞ্জয় বৰাই যোগদান কৰে। ইয়াৰ পূৰ্বে তেওঁ চি আই ডিত কৰ্মৰত হৈ আছিল। তেওঁ তিনিচুকীয়া সদৰত যানবাহন শাখাৰ আই চি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০

শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত তেজপুৰ মাজগাঁওস্থিত যুটীয়া কৃষি সঞ্চালকৰ কাৰ্যালয়ত কালি কৃষক, কৃষি বিজ্ঞানী আৰু অন্যান্য বিভাগসমূহৰ প্ৰতিনিধিৰ মাজত মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষকসকলক কৃষিৰ ওপৰত পশুপালন, মীন পালন আদিৰ জৰিয়তে স্বাৱলম্বী কৰাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষকসকলে ধানখেতিৰ লগতে উদ্যানশস্যৰ বিভিন্ন খেতিৰ জৰিয়তে সেউজ বিপ্লৱৰ সূচনা কৰিবলৈ কিদৰে মাটিৰ গুণাগুণ নিৰূপণ কৰি সাৰ, কীটনাশক আদি প্ৰয়োগ কৰিব লাগিব, সেই বিষয়ে কৃষি বিশেষজ্ঞসকলে পৰামৰ্শ দিয়ে। তদুপৰি বিজ্ঞানসন্মতভাৱে ছাগলী পালন, গাহৰি পালন আদিৰ জৰিয়তে স্বাৱলম্বী হ'বলৈও তেওঁলোকে পৰামৰ্শ দিয়ে।

০০০০০০০

**সমাপ্ত**